# 2017

# ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) কমলাকান্ত ভট্টাচাৰ্য কোন যুগৰ কবি ?

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম কোন চনত হৈছিল ?

(গ) কবি অম্বিকাগিৰিৰ এখন কবিতা-পুথিৰ নাম লিখা।

(ঘ) 'প্ৰতিমা'ৰ কবি বুলিলে কোনগৰাকী কবিক বুজা যায় ?

(ঙ) 'অচিনা' কাব্যগ্ৰন্থখনৰ ৰচক কোন ?

(চ) 'ৰাজসূয়' কাব্য কোনে ৰচনা কৰিছিল ?

(ছ) বৰগীতক 'Noble Numbers' বুলি কোনে আখ্যা দিছিল ?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) “তেজৰে কমলাপতি পৰভাতে নিন্দ
তেৰি চান্দ মুখ পেখোঁ উঠৰে গোবিন্দ।”

কবিতাংশৰ অৰ্থ লিখা।

(খ) কবি হীৰেন ভট্টাচাৰ্যৰ দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(গ) ‘শৰৎ বৰ্ণনা’ কবিতাটি কোনখন গ্ৰন্থৰ পৰা অনা হৈছে? কবিতাটোত ব্যৱহৃত ছন্দটোৰ নাম লিখা।

(ঘ) মাধৱদেৱৰ বৰগীতৰ প্ৰধান ৰস কি? ‘তেজৰে কমলাপতি’ বৰগীতটিত কি ৰাগৰ ব্যৱহাৰ হৈছে?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) “এনে কাৰিকৰী শিলত খটোৱা
অসভ্য আছিলনে সিজাতি সিদিন?
এই অসমৰ অসভ্য জাতিৰ
পূৰ্বৰ পুৰুষ হয় বা ই চিন।”

(খ) “জীৱনে-মৰণে, শয়নে-সপোনে এই দেশৰ
আহ্বান মই শুনিছোঁ
শত্ৰু-মিত্ৰ সকলোকে মই চিনিছোঁ।
সিহঁতৰ অন্তৰ মই বিশ্বাসেৰে জিনিছোঁ।”

(গ) “আমাৰ আছে মানুহৰ ওপৰত বিশ্বাস
আমাৰ আছে ভৱিষ্যতৰ সুস্থ ৰঙা সূৰ্য্যৰ পিনে চকু।”

(ঘ) “পৰ্বতৰ জীয়ৰী সুন্দৰী গৌৰীৰ
সাঁচত মোৰ মালতী নাই
নুশুঙা ফুলটিৰ নুফুলা কলিটিৰ
মালতীৰ তুলনা পায়।”

(ঙ) “ডোভাৰ জলত সূৰ্যৰ তাপত
কমাৱৈ মৎস্য অপাৰ।
যেন মহা দুখী কুটুম্বি মনুষ্যে
দুখৰ নেদেখে পাৰ॥”

৪। নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) : ১০×৩=৩০

(ক) হীৰেন ভট্টাচাৰ্যৰ ‘মোৰ দেশ’ কবিতাত দেশসেৱাৰ মনোভাব কিদৰে ফুটি ওলাইছিল, চমুকৈ লিখা।

(খ) অমূল্য বৰুৱাৰ ‘বিপ্লৱী’ কবিতাটোত কবিৰ বৈষম্য আৰু নিষ্পেষণৰ প্ৰতিকাৰ বিচৰা মনোভাব কিদৰে প্ৰতিবিম্বিত হৈছে, আলোচনা কৰা।

(গ) ৰোমাণ্টিক কবিতা হিচাপে ‘মালতী’ অথবা ‘নিয়ৰ’ কবিতাৰ এটি পৰ্যালোচনা আগবঢ়োৱা।

(ঘ) অসমৰ অতীত গৌৰৱ পাহৰণিৰ গৰ্ভত জাহ যাব ধৰা দেখি কবিৰ মনত উদ্ভৱ হোৱা মনোবেদনা ‘পাহৰণি’ কবিতাটোত কিদৰে প্ৰকাশ কৰিছে, আলোচনা কৰা।

(ঙ) মাধৱদেৱৰ বৰগীতত প্ৰকাশিত বাৎসল্য প্ৰেমৰ নিদৰ্শন 'তেজৰে কমলাপতি' বৰগীতটোত কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(চ) 'শৰৎ বৰ্ণনা' কবিতাটোত শৰৎকালৰ প্ৰকৃতিৰ মনোৰম ৰূপ কবিয়ে কিদৰে বৰ্ণনা কৰিছে, তোমাৰ ভাষাত লিখা।

★★★